Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MAY 29, 2025 ■ বৃহস্পতিবাৰ, ১৪ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫১ Guwahati, Assam ।। মূল্যঃ এটকা

# সভাপতি হৈয়েই মুখ্যমন্ত্ৰীক প্ৰত্যক্ষ প্ৰত্যুত্তৰ গৌৰৱৰ

## ‘চৰকাৰী নীতি-নিয়ম মানি ২০১৩ চনত এবাৰ পাকিস্তানলৈ গৈছিলো’

**ই-সংবাদ, ২৮ মে':** অসমৰ বাবে যেন এতিয়া এটাই বিষয়- গৌৰৱ গগৈ। শেহতীয়াকৈ বেছ কিছুদিনৰ পৰাই গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ সোচ্চাৰ হৈ আহিছিল ২ পৃষ্ঠাত



এপিচিচিৰ নতুন সভাপতি গৌৰৱ গগৈক আদৰণি জনাবলৈ ৰাজীৱ ভৱনত প্ৰস্তুতি সভা

### মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

## গৌৰৱ গগৈয়ে এতিয়া লাহে লাহে কথাবোৰ স্বীকাৰ কৰিব!

**ই-সংবাদ, ২৮ মে':** যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে প্ৰদেশ ৪ পৃষ্ঠাত

### মাতিলে ভিজিলেন্সে

## ৰিপুণ বৰাৰ পাকিস্তান লিংক থকাৰ সন্দেহ!

**ই-সংবাদ, ২৮ মে':** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ ৰোষত পৰিছে ৫ পৃষ্ঠাত

## চৰকাৰ গঠন! মণিপুৰত তৎপৰ বিজেপি দল

### ৰাজ্যপালক সাক্ষাৎ

**ইম্ফল, ২৮ মে':** সাম্প্ৰদায়িক হিংসাত জৰ্জৰিত মণিপুৰত ৩ পৃষ্ঠাত

## ছাত্ৰীক নিৰ্যাতন ৰঙাঘৰলৈ গ'ল বিজেপিৰ যুৱ সদস্য

**ই-সংবাদ, ২৮ মে':** গুৱাহাটী মহানগৰীত বিশ্ববিদ্যালয়ৰ এগৰাকী ছাত্ৰীক নিৰ্যাতন চলাই শাসকীয় ২ পৃষ্ঠাত

### অসমৰ মানৱ অধিকাৰ আয়োগক তদন্তৰ দায়িত্ব অৰ্পণ

# ৰাজ্যৰ ভুৱা এনকাউণ্টাৰক লৈ তদন্তৰ নিৰ্দেশ ছুপ্ৰিম কৰ্টৰ

### ন্যায়াধীশ সূৰ্য কান্ত-এন সিঙৰ বিচাৰপীঠৰ নিৰ্দেশ

● ২০২১ চনৰ মে'ৰ পৰা ২০২২ৰ আগষ্টৰ ভিতৰত ৰাজ্যত ১৭০টাতকৈও অধিক এনকাউণ্টাৰৰ ঘটনা





**ই-সংবাদ বিশেষ, ২৮ মে':** অসম আৰক্ষীৰ ভুৱা এনকাউণ্টাৰক লৈ উত্থাপিত হৈ অহা গুৰুতৰ অভিযোগৰ ৩ পৃষ্ঠাত

## জালত পৰিল নৃশংস হত্যাকাণ্ড কৰা হত্যাকাৰী

**ই-সংবাদ, ২৮ মে':** গোলাঘাট জিলাৰ দেৰগাঁৱৰ বাদুলীপাৰত ধাৰাবাহিক ৫ পৃষ্ঠাত

## হাতত হেংদাং, যোৰহাটত পুনৰ সৰৱ শৃংখল

**ই-সংবাদ, ২৮ মে':** কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশত ৬ পৃষ্ঠাত

### দিল্লীত সংবাদমেলত গৌৰৱৰ দাবী

## কয়লা ছিণ্ডিকেট হিমন্ত চৰকাৰৰ বাবে অধিক হৈ পৰিছে!

**ই-সংবাদ, ২৮ মে':** আজি নতুন দিল্লীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আজি গৌৰৱ গগৈয়ে এখন সংবাদমেলত ২ পৃষ্ঠাত



### কেবিনেটৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া


## সংখ্যালঘু এলেকাৰ খিলঞ্জীয়াই পাব আগ্নেয়াস্ত্ৰ

**ই-সংবাদ, ২৮ মে':** আজি অসম লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হয়। ৫ নং পৃষ্ঠাত



### আটাছুৰ মিলন গোটৰ কৌশলী সংবাদমেল

## হকে-বিহকে গৌৰৱ গগৈক বদনাম কৰি নাথাকিব



**ই-সংবাদ, ২৮ মে':** আজি নতুন দিল্লীত কংগ্ৰেছৰ কাৰ্যালয়ত যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে সংবাদমেল সম্বোধন ৬ নং পৃষ্ঠাত

### ভৈৰৱ গগৈৰ প্ৰচেষ্টা

## অসমৰ বাঁহৰ নিমখে বিশ্বজুৰি পাইছে আদৰ

**ই-সংবাদ, ২৮ মে':** গোলাঘাট জিলাৰ এজন যুৱকৰ এই অভিনৱ পদক্ষেপে এতিয়া বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা লাভ ২ নং পৃষ্ঠাত

### বিদেশীৰ সন্দেহত সংখ্যালঘু নিৰ্যাতন

## ৰাজ্যপালক সাক্ষাৎ ইউডিএফৰ প্ৰতিনিধিৰ



**গুৱাহাটী, ২৮ মে':** সীমান্তৱৰ্তী অঞ্চলত 'বিদেশী'ৰ সন্দেহত বন্দী হৈ থকা লোকসকলৰ লগত অমানৱীয় ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সভাপতি হৈয়েই মুখ্যমন্ত্ৰীক প্ৰত্যক্ষ

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। গৌৰৱ গগৈৰ পাকিস্তান সংযোগ উন্মোচন কৰিবলৈ গঠন কৰা হৈছিল এছআইটি, ১০ ছেপ্টেম্বৰ বান্ধি দিয়া হৈছিল তদন্তকাৰীৰ তথ্য ৰাজহুৱা কৰাৰ সময়। মুখ্যমন্ত্ৰীৰ কথাৰ সুৰত সুৰ মিলাই গৌৰৱ বিৰোধী টো তুলিবলৈ উঠিপৰি লাগিছিল বিজেপিৰ অন্যান্য নেতা-মন্ত্ৰীও। কিন্তু ইমানৰ পিছতো পাকিস্তান ভ্ৰমণক লৈ মৌনতা ধাৰণ কৰি আহিছিল গৌৰৱ গগৈয়ে। কিন্তু শেহতীয়াকৈ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই ভূপেন বৰাক অপসাৰণ কৰি প্ৰদেশ কংগ্ৰেছৰ দায়িত্ব কান্ধত অৰ্পণ কৰাৰ পিছতে পাকিস্তান ভ্ৰমণক লৈ মুখ মেলিলে গৌৰৱে। প্ৰথমে মুখ্যমন্ত্ৰীৰ অভিযোগক লৈ চৰ্চা, তাৰ পিছত প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিযুক্ত হোৱাক লৈ লাভ কৰা চৰ্চাৰ পিছত এইবাৰ পাকিস্তান ভ্ৰমণৰ কথা স্বীকাৰ কৰি ৰাজ্যৰ ৰাজনীতিৰ 'একমাত্ৰ চৰ্চিত' বিষয় হৈ পৰিছে সাংসদ গৌৰৱ গগৈ। আজি নতুন দিল্লীত এখন সংবাদমেলত গৌৰৱ গগৈয়ে তেওঁৰ পাকিস্তান ভ্ৰমণ আৰু তেওঁৰ পত্নী এলিজাবেথ ক'লবাৰ্ন গগৈৰ আন্তঃৰাষ্ট্ৰীয় এন জি অ'ৰ সৈতে জড়িত থকাৰ সকলো জল্পনা-কল্পনা আৰু ভুল তথ্যৰ অন্ত পেলাবলৈ চেষ্টা কৰে। গগৈয়ে স্পষ্ট কৰি দিয়ে যে, "মোৰ পত্নীয়ে ২০১১ চনত ৰাজহুৱা নীতি বিশেষজ্ঞ হিচাপে এটা আন্তঃৰাষ্ট্ৰীয় এন জি অ'ত কাম কৰি আছিল আৰু তেওঁৰ চৰকাৰী নিযুক্তিৰ অংশ হিচাপে এবছৰৰ বাবে পাকিস্তানত আছিল। ২০১৫ চনলৈকে তেওঁ এন জি অ'ৰ সৈতে কাম কৰি গৈছিল।" পাকিস্তান ভ্ৰমণৰ সন্দৰ্ভত গগৈয়ে কয়, "২০১৩ চনত এবাৰ পাকিস্তান ভ্ৰমণ কৰিছিলো, আৰু সেই ভ্ৰমণ ভাৰত চৰকাৰৰ নিয়ম-নীতি সম্পূৰ্ণৰূপে মানি চলি কৰা হৈছিল।" আনহাতে, বিতৰ্ক উত্তপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁ পত্নী আৰু দুটা সন্তান ব্ৰিটিছ নাগৰিক বুলিও স্বীকাৰ কৰে গৌৰৱে। তেওঁ প্ৰথম সন্তানৰ নাগৰিকত্ব সলনি কৰাৰ কাৰণ বুজাই দি কয়, "মোৰ দ্বিতীয় সন্তানৰ জন্ম ব্ৰিটেইনত। যদিও মোৰ প্ৰথম সন্তানৰ প্ৰথম অৱস্থাত ভাৰতীয় নাগৰিকত্ব আছিল, তথাপিও কোভিড-১৯ মহামাৰীৰ সময়ত ইংলেণ্ডত থাকি আমি অসংখ্য প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। এই অসুবিধাৰ বাবে আমি আমাৰ সন্তানৰ নাগৰিকত্ব ব্ৰিটিছ কৰাৰ সিদ্ধান্ত লৈছিলো।" গগৈয়ে ৰাজনীতিত তথ্যভিত্তিক বিতৰ্কৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে তেওঁৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱন সদায় স্বচ্ছ আৰু জাতীয় স্বাৰ্থৰ প্ৰতি দায়বদ্ধ। তেওঁ বিজেপিক ব্যক্তিগত আক্ৰমণৰ পৰিৱৰ্তে বাস্তৱিক বিষয়ত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। ইফালে, গৌৰৱ গগৈয়ে তেওঁৰ পাকিস্তান ভ্ৰমণ আৰু পত্নী-সন্তানৰ বিদেশী নাগৰিকত্বক লৈ ৰাজহুৱা স্বীকাৰোক্তি প্ৰদান কৰাৰ কিছু সময়ৰ পাছতে গুৱাহাটীত অনুষ্ঠিত কেবিনেট বৈঠকৰ অন্তত গৌৰৱ গগৈৰ লগতে তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে আৰু অধিক বিস্ফোৰক অভিযোগ উত্থাপন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে গগৈ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে "গভীৰ ভাৰত বিৰোধী ষড়যন্ত্ৰ, চোৰাংচোৱাগিৰি আৰু বিদেশী শক্তিৰ প্ৰতি আনুগত্য"ৰ সৈতে জড়িত বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ ১০ ছেপ্টেম্বৰত গৌৰৱ গগৈৰ বিৰুদ্ধে সকলো বিস্ফোৰক প্ৰমাণ ৰাজহুৱা কৰিব বুলিও পুনৰ এবাৰ ঘোষণা কৰে। একে সময়তে, গগৈৰ নিযুক্তিৰ বাবে কংগ্ৰেছ নেতৃত্বই গোটেই জীৱন অনুশোচনা কৰিব বুলিও দাবী কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়, "এই মানুহজনৰ কোনো লাজ নাই। যেতিয়া কোনোবাই নিৰ্লজ্জতাৰ সকলো সীমা অতিক্ৰম কৰে, তেতিয়া তেওঁলোকে নিজৰ পুত্ৰ, কন্যা আৰু পত্নীক বিদেশী বুলি দাবী কৰিবলৈ আৰম্ভ কৰে।" তেওঁ এই প্ৰশ্ন উত্থাপন কৰে যে, "যদি কোনোবাই নিজৰ সন্তানক ভাৰতীয় বুলি ক'ব নোৱাৰে, তেন্তে তেওঁলোকে অসমৰ সন্তানক কেনেকৈ বুজিব বা প্ৰতিনিধিত্ব কৰিব?" মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে গগৈৰ পাকিস্তান ভ্ৰমণৰ কোনো সম্পৰ্ক তেওঁৰ পত্নীৰ সৈতে নাছিল; বৰঞ্চ তেওঁ তালৈ স্বতন্ত্ৰভাৱে "প্ৰশিক্ষণ"ৰ বাবে গৈছিল আৰু ইয়াৰ প্ৰমাণ তেওঁৰ হাতত আছে। মুখ্যমন্ত্ৰীয়ে আৰু চাঞ্চল্যকৰভাৱে দাবী কৰে যে গগৈৰ পুত্ৰ ভাৰতত জন্মগ্ৰহণ কৰি সাত বছৰ বয়সলৈকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছিল যদিও ২০২১ চনত (কৰ'না মহামাৰীৰ অজুহাত দিয়াৰ বহু আগতেই) তেওঁ ভাৰতীয় পাছপ'ৰ্ট আত্মসমৰ্পণ কৰি গগৈৰ প্ৰত্যক্ষ অনুমোদন আৰু স্বাক্ষৰত ব্ৰিটিছ পাছপ'ৰ্ট গ্ৰহণ কৰে। শৰ্মাই এলিজাবেথ গগৈৰ বিৰুদ্ধেও গুৰুতৰ অভিযোগ উত্থাপন কৰে। গগৈৰ পত্নীয়ে গোপনীয় চোৰাংচোৱা ব্যুৰোৰ (আই বি) প্ৰতিবেদন সংগ্ৰহ কৰি ব্যৱহাৰ কৰিছিল আৰু তেওঁৰ পৰিয়াল পাকিস্তানী সামৰিক আৰু চোৰাংচোৱা সংস্থাৰ সৈতে জড়িত বুলি দাবী কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁৰ পূৰ্বৰ সন্দেহৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, ১০ ছেপ্টেম্বৰৰ পিছত গৌৰৱ গগৈয়ে ৰাজহুৱা স্থানত নিজৰ মুখ দেখুৱাব নোৱাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ বাঁহৰ নিমখে বিশ্বজুৰি পাইছে

কৰিবলৈ সক্ষম হৈছে অভূতপূৰ্ব সঁহাৰি। বিৰল 'বাঁহৰ নিমখ' প্ৰস্তুত কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত মুকলি কৰিছে এই যুৱকজনে। লক্ষ্যণীয়ভাৱে তেওঁ প্ৰস্তুত কৰা এই বাঁহৰ নিমখৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত মূল্য হৈছে প্ৰতি কেজিত ৩০ হাজাৰৰ পৰা ৩৫ হাজাৰ টকা। গোলাঘাটৰ কমাৰবন্ধাৰ বকোলাই গাঁৱৰ বাসিন্দা ভৈৰৱ গগৈয়ে কোৰিয়াৰ পৰম্পৰাগত পদ্ধতিৰে এই বিশেষ নিমখ তৈয়াৰ কৰিছে। তেওঁ কয় যে, এই প্ৰক্ৰিয়াটো সময়সাপেক্ষ আৰু কষ্টকৰ; ইয়াৰ বাবে বাঁহৰ চুঙাৰ ভিতৰত নিমখ ৯ বাৰতকৈ অধিক পোৰাব লাগে। কিন্তু চূড়ান্ত সামগ্ৰীটো অত্যন্ত বিশুদ্ধ বুলি গণ্য কৰা হয় আৰু সাধাৰণ নিমখ পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিয়াসকলেও স্বাস্থ্যজনিত কাৰণত ইয়াক নিৰাপদে সেৱন কৰিব পাৰে। গগৈৰ মতে, এই বহু পৰ্যায়ৰ ৰোষ্টিং প্ৰক্ৰিয়াৰ পিছত প্ৰায় ৫০ কিলোগ্ৰাম নিয়মীয়া নিমখৰ পৰা মাত্ৰ ২ কেজি বাঁহৰ নিমখহে উৎপাদন হয়। ইয়াৰ উৎপাদন কম হোৱাৰ পিছতো ইয়াৰ বিশুদ্ধতা আৰু ঔষধি গুণে ইয়াক আন্তঃৰাষ্ট্ৰীয় স্বাস্থ্য আৰু সুস্থতা সামগ্ৰীৰ বজাৰত অতি বাঞ্ছনীয় কৰি তুলিছে। তেওঁ লগতে কয় যে মহাৰাষ্ট্ৰৰ এটা গোটে ইতিমধ্যে তেওঁৰ বাঁহৰ নিমখৰ এটা গোট ক্ৰয় কৰিছে, যিয়ে অসমৰ বাহিৰত এই সামগ্ৰীৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ ইংগিত দিয়ে। যোৱা দুবছৰত গগৈয়ে কেৱল নিজৰ সামগ্ৰীক কেন্দ্ৰ কৰি নিচ ব্ৰেণ্ড গঢ়ি তোলাই নহয়, স্থানীয় কেইবাজনো যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ সুবিধাও প্ৰদান কৰিছে। গগৈয়ে কয় যে, "মই এই কামটো আৰম্ভ কৰিছিলো কিবা এটা বেলেগ কাম কৰাৰ লগতে পৰম্পৰা সলনি কৰাৰ লক্ষ্যৰে। আজি মই গৌৰৱান্বিত যে আমাৰ উদ্ভাৱনে আন্তঃৰাষ্ট্ৰীয় বজাৰত উপনীত হৈছে।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰঙাঘৰলৈ গ'ল বিজেপিৰ যুৱ সদস্য

বিজেপি যুৱ মৰ্চাৰ সদস্য তথা বিশ্ব হিন্দু মহাসংঘৰ সভাপতি গ্ৰেপ্তাৰ হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যুৱকজনৰ নাম হৈছে আৰিয়ান বৰুৱা। ছাত্ৰীক নিৰ্যাতন চলোৱাৰ অভিযোগত আৰিয়ান বৰুৱাক গড়চুক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰিয়ান বিজেপি যুৱ মৰ্চাৰ সদস্য বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, আৰিয়ানে যিগৰাকী যুৱতীক নিৰ্যাতন চলাইছে তেওঁ প্ৰতিষ্ঠিত ব্যক্তিগত বিশ্ববিদ্যালয়ৰ ছাত্ৰী। ছাত্ৰীগৰাকীয়ে নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰি গড়চুক আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ছাত্ৰীগৰাকী লম্পট আৰিয়ানৰ মাজত প্ৰায় দুবছৰ ধৰি সম্পৰ্ক আছিল। দুয়ো একে বিশ্ববিদ্যালয়ত বি-টেক পাঠ্যক্ৰমত অধ্যয়ন কৰি আছিল। আৰক্ষী সূত্ৰৰ পৰা পোৱা খবৰ মতে ঘটনাৰ তদন্ত বৰ্তমান চলি আছে। আৰিয়ানে গ্ৰেপ্তাৰৰ পিছতে কয় যে আমাৰ মাজত প্ৰায় দুবছৰ ধৰি সম্পৰ্ক আছিল। ছোৱালীজনীৰ পৰিয়ালৰ সৈতে আমাৰ ভাল সম্পৰ্ক আছিল। দুয়োটা পৰিয়ালে ঘৰলৈ অহা-যোৱা কৰিছিল। ছোৱালীজনী একাধিকবাৰ আমাৰ ঘৰত থাকিও গৈছিল। অন্য এক অভিযোগ উত্থাপন কৰি পৰিয়ালে কয় যে দুদিন আগতে বিয়াক লৈ বিবাদ আৰম্ভ হয়। ছোৱালীজনী মোৰ পুত্ৰতকৈ তিনি বছৰৰ ডাঙৰ। তেওঁ জোৰ কৰি বিয়াত বহিব খুজিছিল। পুত্ৰ আৰ্থিকভাৱে স্থিৰ নহয়। সেই অৱস্থাত কিদৰে বিয়াৰ সিদ্ধান্ত ল'ব পাৰি? বিয়াৰ কথা অস্বীকাৰ কৰাৰ বাবে গোচৰ দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰ গঠন! মণিপুৰত তৎপৰ বিজেপি

নতুন চৰকাৰ গঠনৰ দাবীৰে ৰাজ্যপালৰ কাষ চাপিছে বিজেপি। বুধবাৰে ৰাজভৱনত ৰাজ্যপাল অজয় কুমাৰ ভল্লাক সাক্ষাৎ কৰি বিজেপিৰ বিধায়ক থকচোম ৰাধেশ্যাম সিঙে দাবী কৰে যে ৰাজ্যৰ ৪৪জন বিধায়ক নতুন চৰকাৰ গঠনৰ বাবে সাজু হৈছে। বীৰেন সিঙৰ পদত্যাগৰ পিছত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ হোৱা উত্তৰ-পূবৰ ৰাজ্যখনত বিজেপিৰ এই নৱ পদক্ষেপে ৰাজনৈতিক মহলত সৃষ্টি কৰিছে তীব্ৰ বিতৰ্কৰ। সংবাদ সংস্থা পিটিআইৰ মতে, থকচোম ৰাধেশ্যাম সিঙে আন ৯ জন বিধায়কৰ সৈতে ৰাজ্যপালক সাক্ষাৎ কৰে। ৰাইজৰ ইচ্ছাক সন্মান জনাই চৰকাৰ গঠনৰ বাবে সাজু বুলি ৰাজ্যপালক অৱগত কৰে দলটোৱে। ৰাধেশ্যাম সিঙে কয়, "আমি ৰাজ্যপালক জনাইছো যে ৪৪ জন বিধায়ক সাজু হৈছে। ৰাজ্যত চলি থকা সমস্যাসমূহৰ সম্ভাব্য সমাধানৰ বিষয়েও আলোচনা কৰিলোঁ।" তেওঁ আৰু কয়, "আমাৰ প্ৰস্তুতিৰ বিষয়ে ৰাজ্যপালক জনোৱাৰ অৰ্থ হ'ল চৰকাৰ গঠনৰ দাবী। অৱশ্যে কেন্দ্ৰীয় বিজেপি নেতৃত্বই চূড়ান্ত সিদ্ধান্ত ল'ব।" তেওঁ উল্লেখ কৰে যে অধ্যক্ষ থ সত্যব্ৰতে ইতিমধ্যে ৪৪ জন বিধায়কক ব্যক্তিগত আৰু সামূহিকভাৱে সাক্ষাৎ কৰিছে, য'ত নতুন চৰকাৰ গঠনৰ কোনো বিৰোধিতা নাই। মন কৰিবলগীয়া যে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়া হৈছে। সাম্প্ৰদায়িক হিংসা চম্ভালিব নোৱাৰাৰ সমালোচনাৰ মাজতে তেতিয়াৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰাৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২০২৩ চনৰ মে' মাহৰ পৰা আৰম্ভ হোৱা মেইটেই আৰু কুকি-জো সম্প্ৰদায়ৰ সংঘাতত ২৫০ জনতকৈ অধিক লোকৰ প্ৰাণহানি হোৱাৰ লগতে হাজাৰ হাজাৰ লোক গৃহহীন হৈ পৰিছে ৰাজ্যখনত। ইফালে, মণিপুৰ বিধানসভাৰ ৬০খন আসনৰ ভিতৰত এখন আসন বৰ্তমান খালী হৈ আছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ ৩২ জন মেইটেই বিধায়ক, তিনিজন মণিপুৰী মুছলমান বিধায়ক আৰু ৯ জন নগা বিধায়কসহ আছে ৪৪ জন বিধায়ক। আনহাতে, কংগ্ৰেছৰ হাতত আছে পাঁচখন মেইটেই আসন। বাকী ১০জন বিধায়ক কুকি সম্প্ৰদায়ৰ, য'ত বিজেপিৰ ৭জন বিসম্বাদী, দুজন কুকি পিপলছ এলায়েন্সৰ আৰু এজন নিৰ্দলীয় বিধায়ক আছে। অন্যহাতে, শেহতীয়াকৈ ২০ মে'ত গোৱালতাবিত সংঘটিত এক কাণ্ডৰ পিছত মেইটেই প্ৰধান ইম্ফল উপত্যকাত পুনৰ সূচনা হৈছে অশান্তিৰ। তাত চৰকাৰী বাছৰ গ্লাছত নিৰাপত্তাৰক্ষীয়ে ৰাজ্যখনৰ নাম কাগজেৰে আবৃত কৰাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাৰ বাবে ৰাজ্যপালৰ পৰা ক্ষমা বিচৰাৰ লগতে মুখ্য সচিব, ডিজিপি আৰু নিৰাপত্তা উপদেষ্টাৰ পদত্যাগৰ দাবী জনাইছে মেইটেই গোটে। এনে পৰিস্থিতিত নতুন চৰকাৰ গঠনৰ দাবীক নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ভুৱা এনকাউণ্টাৰক লৈ তদন্তৰ

স্বতন্ত্ৰ তদন্তৰ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ। ২০২১ চনৰ মে' মাহৰ পৰা ২০২২ চনৰ আগষ্ট মাহলৈ ৰাজ্যত সংঘটিত হোৱা এনকাউন্টাৰ কাণ্ডৰ যথাযথ প্ৰক্ৰিয়া অমান্য কৰাৰ অভিযোগৰ তদন্তৰ দায়িত্ব অসম মানৱ অধিকাৰ আয়োগক দিয়া হৈছে। উচ্চতম ন্যায়ালয়ৰ এই প্ৰত্যক্ষ হস্তক্ষেপে সমগ্ৰ ৰাজ্যতে আলোড়নৰ সৃষ্টি কৰিছে। ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ এন কোটিশ্বৰ সিঙৰ বিচাৰপীঠে এই নিৰ্দেশ জাৰি কৰিছে। অসম আৰক্ষীৰ বিৰুদ্ধে 'ভুৱা এনকাউণ্টাৰ'ৰ অভিযোগ উত্থাপন হোৱা এখন আৱেদনৰ আজি বিচাৰপীঠে শুনানি গ্ৰহণ কৰে। আবেদনখনত ২০২১ চনৰ মে'ৰ পৰা ২০২২ চনৰ আগষ্টৰ ভিতৰত অসমত সংঘটিত হোৱা ১৭০টাতকৈও অধিক আৰক্ষীৰ এনকাউণ্টাৰৰ স্বতন্ত্ৰ তদন্তৰ দাবী জনোৱা হৈছিল। বিচাৰপীঠে সকলো অভিযোগৰ ভিত্তিত একপক্ষীয় আদেশ জাৰি কৰাটো সমৰ্থন নকৰিলেও কিছুমান বিশেষ গোচৰত অধিক মূল্যায়নৰ প্ৰয়োজন হ'ব পাৰে বুলি স্বীকাৰ কৰে। উল্লেখ্য যে, আবেদনকাৰী আৰিফ মহম্মদ ইয়াচিন জাৱাদাৰে ২০১৪ চনত আদালতে এই এনকাউণ্টাৰৰ তদন্তৰ বাবে প্ৰস্তুত কৰা নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰে। কিন্তু বিচাৰপীঠে কয় যে আবেদনকাৰীয়ে উত্থাপন কৰা বেছিভাগ অভিযোগেই বাস্তৱিকভাৱে ভুল যেন লাগে। আদালতে লক্ষ্য কৰে যে কিছুমান নিৰ্দিষ্ট গোচৰৰ বাহিৰে এই সিদ্ধান্ত লোৱাটোও কঠিন যে নিৰ্দেশনাৰ গুৰুতৰ উলংঘা হৈছে। উচ্চতম ন্যায়ালয়ে বিষয়টো অসম মানৱ অধিকাৰ আয়োগক স্বতন্ত্ৰ আৰু ক্ষিপ্ৰতাৰে প্ৰয়োজনীয় তদন্তৰ দায়িত্ব অৰ্পণ কৰিছে। ভুক্তভোগী ব্যক্তি আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক ন্যায্য সুযোগ প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়ে বিচাৰপীঠে। অৱসৰপ্ৰাপ্ত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ নেতৃত্বত মানৱ অধিকাৰ আয়োগক ভুক্তভোগীৰ অভিযোগ আহ্বান জনাই ৰাজহুৱা জাননী জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে আদালতে। একে সময়তে তেওঁলোকৰ গোপনীয়তা নিশ্চিত কৰিবলৈও আহ্বান জনায় বিচাৰপীঠে। শীৰ্ষ আদালতে অসম মানৱ অধিকাৰ আয়োগক 'ভুৱা এনকাউণ্টাৰ'ৰ অভিযোগৰ অধিক তদন্ত আৰম্ভ কৰাৰ স্বাধীনতা প্ৰদান কৰাৰ লগতে অসম চৰকাৰক তদন্ত প্ৰক্ৰিয়াত সহযোগিতা আৰু প্ৰতিষ্ঠানিক বাধা আঁতৰাবলৈ নিৰ্দেশ দিয়ে। অভিযোগকাৰীৰ গোপনীয়তা ৰক্ষা কৰিবলৈ আৰু বিষয়টো সংবেদনশীলতাৰে চাবলৈ আয়োগক কোৱা হৈছে। তদুপৰি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণক এই অভিযোগ কৰা 'ভুৱা এনকাউণ্টাৰ'ৰ বলি হোৱা আত্মীয়ক আইনী সাহায্য প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। মন কৰিবলগীয়া যে ২৫ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে অসমত সংঘটিত হোৱা ভুৱা আৰক্ষীৰ এনকাউণ্টাৰ আৰু ২০১৪ চনৰ গাইডলাইন উলংঘাৰ অভিযোগ সন্দৰ্ভত আবেদনৰ ৰায়দান স্থগিত ৰাখিছিল। অসম চৰকাৰে উচ্চতম ন্যায়ালয়ত জনাইছিল যে ৰাজ্যত আৰক্ষীৰ এনকাউণ্টাৰৰ তদন্তৰ বাবে ২০১৪ চনৰ গাইডলাইন সঠিকভাৱে পালন কৰা হৈছে আৰু নিৰাপত্তা বাহিনীক অযুক্তিকৰভাৱে লক্ষ্য কৰি লোৱাটোৱে মনোবল হ্ৰাসকৰিব পাৰে। অসম চৰকাৰে ২০১৪ চনৰ পিইউচিএল বনাম মহাৰাষ্ট্ৰৰ গোচৰত উচ্চতম ন্যায়ালয়ৰ গাইডলাইন 'আখৰে আখৰে' পালন কৰিব বুলি উল্লেখ কৰি আবেদনকাৰী আৰিফ মহম্মদ ইয়াচিন জৱাহৰৰ সদিচ্ছাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল। ৪ ফেব্ৰুৱাৰীত শীৰ্ষ আদালতে কৈছিল যে ১৭১টা আৰক্ষীৰ অভিযোগ উত্থাপিত মুখামুখিৰ গুৰুত্বৰ বিষয়ে নাযায়, বৰঞ্চ এনে ন্যায় বহিৰ্ভূত এনকাউণ্টাৰৰ ক্ষেত্ৰত তেওঁলোকৰ নিৰ্দেশনা সঠিকভাৱে পালন কৰা হৈছে নে নাই সেয়াহে চাব। অসম আৰক্ষীৰ এনকাউণ্টাৰত দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ খাৰিজ কৰা গৌহাটী উচ্চ ন্যায়ালয়ৰ ২০২৩ চনৰ জানুৱাৰী মাহৰ আদেশক প্ৰত্যাহ্বান জনাইছিল আবেদনকাৰীয়ে। সেই আদেশত উচ্চ ন্যায়ালয়ে অসম চৰকাৰৰ শপতনামাৰ কথা উল্লেখ কৰিছিল, য'ত ২০২১ চনৰ মে'ৰ পৰা ২০২২ চনৰ আগষ্টৰ ভিতৰত ১৭১টা ঘটনা সংঘটিত হৈছিল, য'ত ৫৬জন লোকৰ মৃত্যু হৈছিল (৪জন জিম্মাত), আৰু ১৪৫জন আহত হৈছিল। যোৱা বছৰৰ ২২ অক্টোবৰত শীৰ্ষ আদালতে পৰিস্থিতিক "অতি গুৰুতৰ" বুলি অভিহিত কৰি এই বিষয়সমূহৰ ওপৰত চলোৱা তদন্তৰ সবিশেষ বিচাৰিছিল। ২০২৩ চনৰ জুলাই মাহত উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আৱেদনৰ সন্দৰ্ভত আদালতে অসম চৰকাৰ আৰু অন্যান্যৰ পৰা উত্তৰ বিচাৰে। আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ৰ সন্মুখত দাবী কৰিছিল যে ২০২১ চনৰ মে' মাহৰ পৰা ৰিট আবেদন দাখিল পৰ্যন্ত অসম আৰক্ষীয়ে ৮০টাতকৈও অধিক "ভুৱা এনকাউণ্টাৰ" সংঘটিত কৰিছে, যাৰ ফলত ২৮ জন লোকৰ মৃত্যু হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যপালক সাক্ষাৎ ইউডিএফৰ প্ৰতিনিধিৰ

ব্যৱহাৰৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি ৰাজ্যপালৰ কাষ চাপিছে এআইইউডিএফ। মঙলবাৰে ৰাজভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি ১১ জনীয়া উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে এই বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰে। একে সময়তে এআইইউডিএফে শাসকীয় দল বিজেপিৰ বিৰুদ্ধেও 'ভাবুকিৰ ৰাজনীতি'ত লিপ্ত হোৱাৰ তীব্ৰ অভিযোগ উত্থাপন কৰিছে। বৈঠকৰ পূৰ্বে মানকাচৰৰ এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামে সাংবাদিকৰ আগত কয়, "বৈধ নথি-পত্ৰ থকাৰ পিছতো কেইবাজনো লোকক 'বিদেশী' হোৱাৰ সন্দেহত অন্যায়ভাৱে আটক কৰা হৈছে। চৰকাৰে তেওঁলোকৰ লগত অমানৱীয় ব্যৱহাৰ কৰি আছে আৰু যথাযথ আইনী প্ৰক্ৰিয়াক সম্পূৰ্ণৰূপে আওকাণ কৰিছে।" লগতে তেওঁ কয় যে আটক কৰাসকলৰ বহুতৰে গোচৰ বিচাৰধীন হৈ আছে, আৰু আইন অনুসৰি সেই গোচৰসমূহ নিষ্পত্তি নোহোৱালৈকে তেওঁলোকক গ্ৰেপ্তাৰ কৰিব নোৱাৰি। আমিনুল ইছলামে কয়, "যদি ৰাজ্য চৰকাৰে তেওঁলোকক বাংলাদেশৰ নাগৰিক বুলি ভাৱে, তেন্তে বাংলাদেশৰ সৈতে উপযুক্ত কূটনৈতিক যোগাযোগ স্থাপন কৰি তেওঁলোকৰ পৰিচয় পৰীক্ষা কৰি আইনগতভাৱে ঘূৰাই পঠিয়াব লাগে।" লগতে বিধায়ক আমিনুল ইছলামে শাসকীয় বিজেপিৰ বিৰুদ্ধে ভীতি প্ৰদৰ্শনৰ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰে। শংকৰজ্যোতি বৰুৱা আৰু শৃংখল চলিহাৰ দৰে লোকক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পৰা জনসাধাৰণৰ দৃষ্টি আঁতৰাবলৈ 'বাংলাদেশী অনুপ্ৰৱেশ'ৰ দৰে বিষয় উত্থাপন কৰা হৈছে বুলিও অভিযোগ কৰে ইছলামে। প্ৰতিনিধি দলটোৰ আন এজন সদস্য বিধায়ক ৰফিকুল ইছলামে অৱশ্যে স্পষ্ট কৰি দিয়ে যে এআইইউডিএফে অবৈধ অনুপ্ৰৱেশক সমৰ্থন নকৰে। "শৃংখল চলিহা কোন সেয়া আমি নাজানো। ১৯৭১ চনৰ পিছত যদি কোনোবাই অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছে, তেন্তে তেওঁলোকক বিতাড়িত কৰা কাৰ্যক আমি সমৰ্থন কৰো। অৱশ্যে কোনো পক্ষপাতিত্বৰ ওপৰত নহয়, প্ৰমাণৰ ভিত্তিত পদক্ষেপ ল'ব লাগিব।" - ৰফিকুলে কয়। এনে সকলো ক্ষেত্ৰতে আইনৰ যথাযথ প্ৰক্ৰিয়া পালন কৰি মানৱ অধিকাৰ ৰক্ষা কৰিবলৈ ৰাজ্যপালক হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনায় এআইইউডিএফৰ প্ৰতিনিধিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈয়ে এতিয়া লাহে লাহে কথাবোৰ

কংগ্ৰেছৰ সভাপতি পদ নিযুক্তি পোৱাৰ পিছতে আজি নতুন দিল্লীৰ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত প্ৰথমখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধাৰাবাহিকভাৱে আনি থকা অভিযোগৰ প্ৰত্যুত্তৰ দি ১৪ বছৰ পূৰ্বে পাকিস্তান ভ্ৰমণ কৰাৰ কথা স্বীকাৰ কৰে। পত্নীয়ে এটা আন্তঃৰাষ্ট্ৰীয় এনজিঅ'ত কাম কৰাৰ সময়ত এবছৰ এছিয়াৰ দায়িত্বত থকা সময়ত পাকিস্তানত এবছৰ থকাৰ কথা স্বীকাৰ কৰিছে। লগতে সন্তান ব্ৰিটেইনত জন্ম হোৱাৰ সময়ত তাৰ পাছপ'ৰ্ট লোৱা বুলি উল্লেখ কৰে। গৌৰৱ গগৈৰ সংবাদমেল সমাপ্ত হোৱাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি পুনৰ গৌৰৱ গগৈক আক্ৰমণ কৰে। গৌৰৱ গগৈক তীক্ষ্ন আক্ৰমণ কৰি যি মানুহৰ লাজ নাথাকে তেওঁ নিৰ্লজ্জ হৈ যায়, নিৰ্লজ্জতাৰ চূড়ান্ত পৰ্যায়ত এইবোৰ কথা কৈ আছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে পত্নী আৰু সন্তান ভাৰতীয় নহয় বুলি কোৱাটো নিৰ্লজ্জতাৰ পৰিচায়ক। যিবোৰ কৈছে, সেয়া মাত্ৰ ১০ শতাংশ সঁচা। ১০ ছেপ্টেম্বৰত ৰাহুল গান্ধীয়েও লাজ পাব, ইয়াতকৈ নিৰ্লজ্জ মানুহ মই ৰাজনীতিত দেখা নাই। মুখ্যমন্ত্ৰীয়ে পুনৰ পাকিস্তানৰে গৌৰৱ গগৈৰ ঘনিষ্ঠ সম্পৰ্ক থকা বুলি দাবী কৰি কয় যে তেওঁৰ সন্তান ভাৰতত জন্ম হৈছিল। ভাৰতীয় পাছপ'ৰ্ট আছিল। পিছত ভাৰতীয় পাছপ'ৰ্ট ছাৰেণ্ডাৰ কৰি ব্ৰিটিছ পাছপ'ৰ্ট লৈছে। কোভিডৰ সৈতে তেওঁৰ পুত্ৰৰ জন্মৰ কোনো সম্পৰ্ক নাই। মুখ্যমন্ত্ৰীয়ে ১০ ছেপ্টেম্বৰত গৌৰৱ গগৈয়ে ৰাস্তাত ওলাবলৈ সাহস নকৰিব বুলি দাবী কৰি কয় যে পাকিস্তানৰ এনজিঅ'ক পৰামৰ্শ দিছিল তেওঁৰ পত্নীয়ে, ভাৰতৰ ক'ত ক'ত ইনভেষ্ট কৰিব লাগিব। মোৰ হাতত প্ৰমাণ কৰিবলৈ তথ্য আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে যে পত্নীয়ে কেনেকৈ ভাৰতৰ আভ্যন্তৰীণ তথ্য সংগ্ৰহ কৰি পাকিস্তান চৰকাৰক দিছিল। সাংসদ নথকা অৱস্থাত মুখ্যমন্ত্ৰীৰ সন্তান হিচাপে পাকিস্তানলৈ গৈছিল। সেয়া আৰু ভয়ংকৰ। পাকিস্তানৰ সৈতে গভীৰ সম্পৰ্ক আছে। সভাপতি হোৱাত লাহৰীঘাট, মৈৰাবাৰীত মানুহ গোটাই আছে। সেইবোৰ মানুহে তেওঁ সভাপতি হোৱাত ভাল পাইছে। শ্বহীদ জিন্টু গগৈৰ বলিদানক আমি পাহৰিব নোৱাৰো। ভাৰতৰ ক'ষ্টেল এৰিয়া, নিউক্লিয়াৰ আৰ্মছক লৈ সংসদত প্ৰশ্ন কৰি পাকিস্তানক তথ্য দিব বিচাৰিছিল। ৰিপুন বৰাই জানে পাকিস্তানৰ সৈতে সম্পৰ্ক আছে। ৰিপুন বৰাই বেছি কথা জানে, কাইলৈ ৰিপুন বৰাক মাতিছে। আনহাতে, সংবাদমেলৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমানে গৌৰৱ গগৈক আক্ৰমণ কৰে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। দিলীপ শইকীয়াই হিমন্ত বিশ্ব শৰ্মাই অনা অভিযোগ যে এশ শতাংশই সত্য আছিল, সেয়া গৌৰৱ গগৈৰ স্বীকাৰোক্তিয়েই আজি প্ৰমাণ কৰিলে বুলি দাবী কৰে। যদিও গৌৰৱ গগৈয়ে তিনিভাগৰ মাত্ৰ এভাগহে স্বীকাৰ কৰিলে, এতিয়াও কিন্তু দুভাগ বাকী আছে। পাকিস্তানত কিমান দিন থাকিল, কি কৰিলে, কোন পিনে গ'ল, কাৰ লগত কথা পাতিলে এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৌৰৱ গগৈৰ সাহস হ'ব নে নহয় বুলিও প্ৰশ্ন কৰে দিলীপ শইকীয়াই। সভাপতি শইকীয়াই গৌৰৱ গগৈক সঁচা কথাখিনি অসমৰ ৰাইজক অৱগত কৰাবলৈও আহ্বান জনাই কয় যে পাকিস্তানৰ প্ৰতি কংগ্ৰেছৰ দৰদ নতুন কথা নহয়। কংগ্ৰেছৰ বহু নেতাই সুযোগ আৰু সুবিধা পালেই ভাৰতৰ স্থিতি আৰু নীতিৰ বিৰুদ্ধে গৈ পাকিস্তানক সমৰ্থন কৰে। গৌৰৱ গগৈৰ বিৰুদ্ধে যেতিয়া অভিযোগ উত্থাপিত হৈছিল, তেতিয়া কংগ্ৰেছ নেতাসকলে সেই অভিযোগক খণ্ডন কৰিছিল। মুখলজ্জা ঢাকিবৰ বাবে আৰু অহা ১০ ছেপ্টেম্বৰত হ'বলগীয়া ভূমিকম্পৰ জোকাৰণিৰ প্ৰাবল্যৰ পূৰ্বানুমান কৰিয়েই আজি গৌৰৱ গগৈয়ে স্বীকাৰোক্তি দিবলে বাধ্য হ'ল বুলিও শইকীয়াই মন্তব্য কৰে। গৌৰৱ গগৈয়ে ভাৰতবৰ্ষৰ স্বাৰ্থতে পাকিস্তান গৈছিল, নে আইএছআইৰ আমন্ত্ৰণত সন্ত্ৰাসবাদীৰ ঘাটি চাবলৈ গ'ল তাকে লৈ অসমৰ জনতা এতিয়াও দোদুল্যমান অৱস্থাত আছে বুলি দাবী কৰি দিলীপ শইকীয়াই এজন মুখ্যমন্ত্ৰীয়ে সদায় সত্যৰ আধাৰত কথা কয় বুলি কয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংখ্যালঘু এলেকাৰ খিলঞ্জীয়াই পাব

মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটত লোৱা সিদ্ধান্তসমূহ ব্যক্ত কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি ৰাজহুৱা কৰে। এডভান্টেজ আছামক নতুন গতি দিবলৈ পশ্চিম কাৰ্বি আংলঙত ৯০০ মেগাৱাট অফ-ষ্ট্ৰিম পাম্পড ষ্ট'ৰেজ প্ৰজেক্টৰ বাবে এপিডিচিএলৰ দ্বাৰা গ্ৰীনকো এনাৰ্জীক ভূমি আবন্টন দিয়াৰ কেবিনেট সিদ্ধান্ত লয়। তৈল খেজুৰ উৎপাদনত উৎসাহ প্ৰদান কৰিবলৈ ৰাষ্ট্ৰীয় ভোজ্য তেল তৈল খেজুৰ অভিযানৰ অধীনত তৈল খেজুৰৰ উৎপাদনৰ বাবে উপযুক্ত শ্ৰেণীৰ ভূমিৰ শিথিলতাত অনুমোদন জনাইছে। এই অভিযানৰ অধীনত কৃষকসকলক ম্যাদী পট্টাৰ ভূমি আৰু একচনীয়া পট্টাৰ ভূমিৰ লগতে অন্যান্য শ্ৰেণীৰ ভূমিত তৈল খেজুৰ উৎপাদনত অনুমতি প্ৰদান কৰিছে। এই সিদ্ধান্তই ৰাষ্ট্ৰীয় ভোজ্য তেল-তৈল খেজুৰ অভিযানৰ অধীনত কৃষকক আৰু অধিক লাভান্বিত কৰিব। অসমৰ মহান ব্যক্তিসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ সিদ্ধান্ত লয়। অসমৰ চিৰনমস্য ব্যক্তিসকলৰ সন্মানাৰ্থে কেবিনেটে তলত দিয়া ধৰণে প্ৰতিষ্ঠানৰ নামকৰণত অনুমোদন জনাইছে। মঙলদৈ ষ্টেডিয়ামক ৰজা ধৰ্মনাৰায়ণ ষ্টেডিয়াম হিচাপে নামকৰণ কৰাৰ সিদ্ধান্ত লয়। সৰুসজাই ষ্টেডিয়ামক অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে নামকৰণ কৰা হ'ব। ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানক গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান হিচাপে নামকৰণ কৰাৰ সিদ্ধান্ত লয়। কেবিনেটে অসমৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চলৰ মূল বাসিন্দা আৰু আদিবাসীক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ সেৱাৰ বাবে এখন বিশেষ আঁচনিত অনুমোদন জনাইছে। এই আঁচনিৰ দ্বাৰা ব্যক্তি তথা সম্প্ৰদায়ক আইনবহিৰ্ভূত ভাবুকিৰ পৰা ৰক্ষা কৰাৰ উপৰি এনে ব্যক্তিসকলৰ ব্যক্তিগত সুৰক্ষা আৰু আত্মবিশ্বাস বৃদ্ধি কৰিব। কেবিনেটে টাটা টেকন'লজী লিমিটেডৰ সহযোগত ৩৪ পলিটেকনিক আৰু ৪৩ চৰকাৰী আইটিআইক উৎকৰ্ষ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে ২৫০ কোটি টকা সাহায্য প্ৰদানত অনুমোদন জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জালত পৰিল নৃশংস হত্যাকাণ্ড কৰা

হত্যাকাণ্ডই সমগ্ৰ জিলাখনক কঁপাই গৈছে। বৃদ্ধি দম্পতী সোণেশ্বৰ গগৈ আৰু তেওঁৰ পত্নী দেৱী গগৈৰ ওপৰত হোৱা প্ৰাণঘাতী আক্ৰমণৰ ফলত সোণেশ্বৰ গগৈ নিহত হয়। বাদুলিপাৰৰ নামঘৰীয়া সোণেশ্বৰ গগৈক হত্যা কৰাৰ পিছতে সমগ্ৰ দেৰগাঁৱক জোকাৰি যোৱাৰ সময়তে আৰক্ষীয়ে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ধনৰ লেনদেনৰ বাবে হত্যাৰ বলি হোৱাৰ আশংকা কৰা হৈছে। নামঘৰীয়া সোণেশ্বৰ গগৈ হত্যাকাণ্ডৰে জড়িত থকাৰ অভিযোগত সন্তোষ ঘাটোৱাৰ নামৰ লোকজনক গ্ৰেপ্তাৰ কৰা হৈছে। টকাৰ বাবে এই হত্যাকাণ্ড সংঘটিত কৰা বুলি উল্লেখ কৰিছে গোলাঘাট আৰক্ষীয়ে। আৰক্ষীৰ ভূমিকাত আশ্বস্ত হ'ব পৰাই নাই ৰাইজে। সাঁচি গছ বিক্ৰী কৰি পোৱা টকা চুৰি কৰিবলৈ আহি সন্তোষ ঘাটোৱাৰে প্ৰাণ ল'ব পাৰে বুলি ৰাইজে সন্দেহ কৰিছে। যাৰ বাবে ৰাইজে মৃতদেহ সন্মুখত লৈ সাব্যস্ত কৰে প্ৰতিবাদ। সোণেশ্বৰ গগৈৰ পত্নী দেৱী গগৈৰ ওপৰতো হোৱা প্ৰাণঘাতী আক্ৰমণত বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছে। ইপিনে নামঘৰীয়া সোণেশ্বৰ গগৈৰ হত্যাকাণ্ডৰ চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। তিনি বছৰত একেটা বংশৰ ৬ জন লোক হত্যাৰ বলি হৈছে। বুঢ়াগাঁৱৰ গগৈ বংশৰ ইতিমধ্যে ৬ জন লোকে ঘাতকৰ হাতত প্ৰাণ দিছে। গগৈ বংশৰ ৰাজু গগৈ, ৰীণা গগৈ, কোমেশ্বৰ গগৈ, মৃদুল গগৈ, প্ৰমীলা গগৈক শেহতীয়াকৈ ৬৫ বছৰীয়া সোণেশ্বৰ গগৈয়ে মৃত্যুক আঁকোৱালি লৈছে। নামঘৰীয়া হত্যাকাণ্ডৰ মুখ্য অভিযুক্ত সন্তোষ ঘাটোৱাৰক মঙলবাৰে সন্ধিয়া গ্ৰেপ্তাৰ কৰা হৈছিল। কালি পুৱা প্ৰায় ১০ বজাত বাৰীত পাণ ছিঙি থকা অৱস্থাত নামঘৰীয়া সোণেশ্বৰ গগৈক অতি নৃশংসভাৱে চোকা অস্ত্ৰৰে আক্ৰমণ কৰা হৈছিল। একেটা সময়তে পত্নী দেৱী গগৈকো চোকা অস্ত্ৰৰে আক্ৰমণ কৰিছিল। প্ৰাণঘাতী আক্ৰমণত আঘাতপ্ৰাপ্ত সোণেশ্বৰ গগৈক হাস্পতাললৈ নিয়াৰ পথতে মৃত্যু হৈছিল। বৰ্তমান পত্নী সংকটজনক অৱস্থাত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। মৃতদেহ ঘৰলৈ অনাৰ পিছতে বাদুলিপাৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। শোকাকুল পৰিৱেশত ৰাইজে চৰকাৰ, প্ৰশাসন-আৰক্ষীৰ বিৰুদ্ধে শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ হুংকাৰ দিয়ে। ৰাইজে উত্তাল কৰাৰ সময়তে আৰক্ষীয়ে সন্তোষ ঘাটোৱাৰক লগত লৈ তদন্ত আৰম্ভ কৰি সন্তোষ ঘাটোৱাৰৰ ভাতৃক আটক কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিপুণ বৰাৰ পাকিস্তান লিংক থকাৰ সন্দেহ!

প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন সাংসদ ৰিপুন বৰা। যোৰহাটৰ সাংসদ তথা নৱনিযুক্ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ হৈ মাত মাতি চৰকাৰৰ ৰোষত পৰিছে ৰিপুন বৰা। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ তথাকথিত পাকিস্তান সংযোগ সন্দৰ্ভত সংবাদমেল সম্বোধন কৰি গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তান চৰকাৰৰ পৰা দৰমহা লোৱাৰ কথা উল্লেখ কৰিছিল। তাৰ পিছতে মুখ্যমন্ত্ৰীৰ বিশেষ সতৰ্কতা কোষে জ্যেষ্ঠ নেতা ৰিপুন বৰাক কাইলৈ উপস্থিত হ'বলৈ জাননী জাৰি কৰিছে। অসম চিআইডিৰৰ ৫/২৫ নম্বৰ গোচৰ তদন্তৰ বাবে উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে। খবৰ অনুসৰি, মুখ্যমন্ত্ৰীৰ বিশেষ সতৰ্কতা কোষে গৌৰৱ গগৈৰ সৈতে পাকিস্তানৰ ইছলামাবাদ নিবাসী বুলি দাবী কৰা আলি তৌকীৰ শেখৰ তথাকথিত সম্পৰ্কৰ সন্দেহত তদন্ত আৰম্ভ কৰিছে। এতিয়া এই তদন্তৰ পৰিসৰ বঢ়াই ৰিপুন বৰাক সাঙুৰি লোৱা হৈছে। তেওঁৰ কোনো সংযোগ আছে নে নাই, তাৰ বিষয়ে জবানবন্দী দিয়াৰ বাবে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। পত্ৰ লাভ কৰি ৰিপুন বৰাই য়ে কয় যে মই মুখ্যমন্ত্ৰীৰ সতৰ্কতা কোষৰ পৰা নটিচ পাইছো। মোক কাইলৈ হাজিৰ হ'বলৈ কোৱা হৈছে। অভিযোগত কোৱা হৈছে যে গৌৰৱ গগৈৰ ইছলামাবাদৰ আলি তৌকীৰ শেখ নামৰ এজন ব্যক্তিৰ সৈতে সম্পৰ্ক আছে, আৰু মই সেই বিষয়ে অবগত নে নহয় তাক লৈ প্ৰশ্ন কৰা হ'ব। বৰাই লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ আগৰ মন্তব্যবোৰ বিকৃত ৰূপত উপস্থাপন কৰাৰ অভিযোগ তোলে। মই সংবাদমেলত যি বক্তব্য দিছিলোঁ, সেয়া সম্পূৰ্ণৰূপে ফেচবুকত উপলব্ধ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হকে-বিহকে গৌৰৱ গগৈক বদনাম কৰি

কৰিছিল। গৌৰৱ গগৈৰ সংবাদমেল সমাপ্ত হোৱাৰ পিছতে গুৱাহাটী প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰে টাই আহোম ছাত্ৰ সন্থাৰ মিলন বুঢ়াগোহাঁই ফৈদে। ইমান দিনে মুখ্যমন্ত্ৰী গৌৰৱ গগৈ আৰু পত্নীৰ পাক সংযোগক লৈ আক্ৰমণাত্মক হৈ থকাৰ সময়ত টাই আহোম ছাত্ৰ সন্থা মনে মনে আছিল যদিও গৌৰৱ গগৈয়ে সভাপতি পদ লাভ কৰাৰ পিছতে সৰৱ হয়। টাই আহোম ছাত্ৰ সন্থাৰ মিলন বুঢ়াগোহাঁই ফৈদ সৰৱ হোৱাৰ টাইমিঙক লৈ প্ৰশ্ন উত্থাপন হৈছে। গৌৰৱ গগৈয়ে পাক ভ্ৰমণক লৈ সকলো অভিযোগ আজি স্পষ্ট কৰে। গৌৰৱ গগৈয়ে বিষয়টো স্পষ্ট কৰাৰ পিছতে টাই আহোম ছাত্ৰ সন্থাই কয় যে পাকিস্তানত চাকৰি কৰি ভাৰতত থাকিব সেই কথাটো মানি ল'ব পৰা নাযায়। লগতে ৰিপুন বৰাই যিটো কথা কৈছে সেয়া সঁচা নে মিছা সেই কথা গৌৰৱ গগৈয়ে নিজ মুখেৰে স্পষ্ট কৰিব লাগে। আটাছুৰ এটা ফৈদৰ সভাপতি মিলন বুঢ়াগোহাঁয়ে গুৱাহাটী প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰি কয় যে অসমৰ মূল সমস্যা এতিয়া তল পৰিছে। এতিয়া বিষয় স্থান পাইছে, গৌৰৱ গগৈ আৰু গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ লিংক। বিষয়টো ডাঙৰ কৰা হৈছে। গৌৰৱ গগৈয়ে পাক এম্বেছীলৈ যোৱা বুলি কৈছে, পাকিস্তান ভ্ৰমণলৈ গৈছে বুলি কৈছে। যাব পাৰে তাত কোনো ডাঙৰ কথা নহয়। আইএছআইৰ ওচৰলৈ গৈছে। যাৰ বাবে এছআইটি গঠন কৰা হৈছে। গৌৰৱ গগৈয়ে কৈছে মই যি উত্তৰ দিব লাগে এছআইটিৰ ওচৰত দিম। গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানত চাকৰি কৰিছিল। এই বিষয়বস্তুবিলাকক ছেগাচোৰোকাকৈ গৌৰৱ গগৈয়ে উত্তৰ দি আহিছে। কিন্তু গৌৰৱ গগৈ এজন উদীয়মান উঠি অহা যুৱক। শেহতীয়াকৈ বিভিন্ন সংগঠনে ক'বলৈ আৰম্ভ কৰিছে। বিভিন্নজনে এনেকৈ কৈছে যে কথাবোৰ সঁচাই হৈ গ'ল। কথাবোৰত মাত নিদি গৌৰৱ গগৈয়ে অভিযোগবোৰ মানি লোৱাৰ দৰে হৈছিল। কিন্তু তাৰ মাজতে ৰিপুন বৰাই সিদিনা কৈ দিলে যে গৌৰৱ গগৈ পাকিস্তানলৈ যোৱাটো হয়। বিধাসন্মতভাৱে তেওঁৰ পত্নীয়ে চাকৰি কৰি আছে। এতিয়া আমি কৈছো যে ৰিপুন বৰাই নহয়, গৌৰৱ গগৈয়ে বিষয়টো স্পষ্ট কৰক। মুম্বাই কাণ্ড, পেহেলগাম কাণ্ডৰ কথা সকলোৱে জানে। কাৰ্গিল যুদ্ধত আহোম যুৱক কেপ্টেইন জিণ্টু গগৈ শ্বহীদ হৈছিল। জিণ্টু গগৈক হত্যা কৰা দেশত কোনোবাই বিধিসন্মতভাৱে যদি চাকৰি কৰি থকা বুলি কয় তেন্তে সেই কথা কোনোৱে মানি নলয়। গৌৰৱ গগৈয়ে বিষয়টো স্পষ্ট কৰক যিহেতু সকলো বিষয়টো একাকাৰ কৰি তেখেতক বদনাম কৰিব খোজা হৈছে। লগতে মিলন বুঢ়াগোহাঁয়ে মুখ্যমন্ত্ৰীক ১০ ছেপ্টেম্বৰলৈ ৰৈ থকাতকৈ এতিয়াই তথ্য প্ৰকাশ কৰাৰ আহ্বান জনায়। চৰকাৰী সংস্থাসমূহে বিষয়টো তদন্ত কৰি বিষয়বস্তুটোৰ সত্য নিৰূপণ কৰিব লাগে। যদি গৌৰৱ গগৈয়ে তেনে কাম কৰিছে তেন্তে গৃহ বিভাগ ব্যৰ্থ হৈছে বুলি কৈ মিলন বুঢ়াগোহাঁয়ে কয় যে গৌৰৱ গগৈক হকে-বিহকে বদনাম কৰি নাথাকিব, গৌৰৱ গগৈয়েও যাতে বদনাম হৈ নাথাকে তাৰ বাবে আজি সংবাদমেল দিয়া হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ধোৱাতুলসীৰ পাত নহয়। মুখ্যমন্ত্ৰীয়ে কোৱা প্ৰতিটো কথা যে সঁচা বা সত্য হ'ব সেইটো কথা নহয় বুলি দাবী কৰি মিলন বুঢ়াগোহাঁয়ে কয় যে হিমন্ত বিশ্ব শৰ্মাই আহোম জনগোষ্ঠী আৰু অসমবাসীক যিখিনি কামৰ কথা কৈছে সেইখিনিত কথা আৰু কৰ্মৰ মাজত পাৰ্থক্য আছে। মুখ্যমন্ত্ৰীয়ে বহু মিথ্যাচাৰৰ আশ্ৰয় লোৱাৰ পৰিলক্ষিত হৈছে। তেখেতক একপ্ৰকাৰ মিথ্যাচাৰী আখ্যা দিব পাৰি। গৌৰৱ গগৈ পাকিস্তানলৈ যাব পাৰে। তেওঁ যাব পাৰে সেইটো স্পষ্ট কথা। অসমৰ হওক বা ভাৰতৰ আন প্ৰান্তৰ মানুহে কোনোবা এখন দেশলৈ ফুৰিবলৈ যাব পাৰে। ফুৰিবলৈ যাওঁতে ইমান দীঘলীয়াকৈ টনা-আঁজোৰা কৰি তেখেতক এটা বিতৰ্কৰ মাজলৈ অনাৰ প্ৰয়োজনীয়তা নাই। গৌৰৱ গগৈৰ সহধৰ্মিণীয়ে বিয়াৰ আগত ক'ৰবাত চাকৰি আছিল সেইটোত আমাৰ ক'বলগীয়া নাই। সেই বিষয়টো সুকীয়া। তেখেত তেতিয়া ভাৰতীয় হোৱা নাছিল। অসমৰ জীয়ৰী হোৱা নাছিল। আজিৰ প্ৰেক্ষাপটত যিহেতু অসমৰ জীয়ৰী, ভাৰতবৰ্ষৰ নাগৰিক। এজন সাংসদ, সাধাৰণ নাগৰিক নহয়। এই কথাটো স্পষ্ট হ'ব লাগে। টাই আহোম ছাত্ৰ সন্থাই এই কথাটো মানি ল'ব পৰা নাই যে পাকিস্তানত চাকৰি কৰি ভাৰতত থাকিব সেই কথাটো মানি ল'ব পৰা নাযায়। ৰিপুন বৰাই কথাটো কোৱাৰ পিছতহে ৰাইজে কথাটো জানিব খুজিছে। ৰিপুন বৰাৰ মুখেৰে নহয়, গৌৰৱ গগৈয়ে নিজে কথাটো স্পষ্ট কৰক। জনজাতিকৰণক লৈ মুখ্যমন্ত্ৰীয়ে মিথ্যাচাৰৰ আশ্ৰয় লোৱাৰ অভিযোগ আনি কয় যে ২০২৬ ৰ পূৰ্বে যদি জনজাতিকৰণ নকৰে তেন্তে ঘৰে ঘৰে যাওঁ বলক কাৰ্যসূচী ল'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাতত হেংদাং, যোৰহাটত পুনৰ সৰৱ শৃংখল

ৰাজ্যজুৰি সন্দেহজনক বাংলাদেশী গ্ৰেপ্তাৰ অভিযান চলি থকাৰ সময়তে আজি যোৰহাটত হাতত হেংদাং লৈ বাংলাদেশী বহিষ্কাৰৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে বীৰ লাচিত সেনাই। প্ৰায় দুই শতাধিক নেতা-কৰ্মীয়ে হাতত হেংদাং লৈ বাংলাদেশীৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। প্ৰতিবাদত অংশ লয় বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই। কিছুদিন পূৰ্বে আজাদ চৌধুৰী নামৰ এজন বহিৰাগতক গ্ৰেপ্তাৰ কৰা তথা ঘৰ ভাঙি দিয়াৰ দাবী উত্থাপন কৰি হেংদাং লৈ যোৰাহাটত প্ৰতিবাদ জনায়। বীৰ লাচিত সেনাই স্পষ্টকৈ ঘোষণা কৰিছে যে গণতান্ত্ৰিক প্ৰতিবাদৰ চূড়ান্ত সীমা নিঃশেষ নোহোৱা পৰ্যন্ত এই আন্দোলন অব্যাহত থাকিব। লাচিত সেনাই আজাদ চৌধুৰীক তৎক্ষণাৎ গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। আজাদ চৌধুৰীয়ে ৰাজ্যৰ স্বাৰ্থৰ বিপৰীত কাৰ্যকলাপত লিপ্ত হৈ আছে। লাচিত সেনাই অসমৰ সকলো অঞ্চলৰ ৰাইজক এই আন্দোলনৰ গতি আৰু অধিক শক্তিশালী কৰিবলৈ আহ্বান জনায়। সংগঠনটোৱে অবৈধ বাংলাদেশী আৰু সন্দেহজনক অভিবাসীৰ বিৰুদ্ধে বৃহৎ আন্দোলনৰ পোষকতা কৰে। এই আন্দোলনে আগন্তুক দিনত অসমৰ ৰাজনৈতিক পৰিৱেশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে। ইপিনে ৰাজ্যত আজিও সন্দেহজনক বাংলাদেশীৰ গ্ৰেপ্তাৰ অভিযান অব্যাহত আছে। কাছাৰ জিলাৰ জালালপুৰত প্ৰায় ২০ জন বাংলাদেশী নাগৰিকক আটক কৰা হৈছে। যিসকলে সন্দেহজনকভাৱে ভাৰত-বাংলাদেশ সীমা পাৰ হৈ আহিছিল। কাছাৰ জিলাৰ জালালপুৰ অঞ্চলত স্থানীয় লোকসকলে ২০ জন বাংলাদেশী নাগৰিকক আবদ্ধ কৰি আৰক্ষীক গতাই দিয়ে। সীমান্ত পথেদি অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি প্ৰথমে পশ্চিমবংগত সোমাইছিল। তাৰ পিছত ভাৰতীয় দালালসকলৰ সহায়ত আধাৰ কাৰ্ড লাভ কৰি গুজৰাটৰ আহমেদাবাদলৈ গৈছিল। এইসকল ব্যক্তিক পুনৰ বাংলাদেশলৈ উভতি যাবলৈ চেষ্টা কৰা সময়তে আটক কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223










বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি